بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আই৪) য়ে ২০২০ চনৰ ১৭ এপ্ৰিলত মছজিদ মোবাৰক ইছলামাদ (বৃটেইনত ) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ ।**

আশ্বহাদু আল্লা  ইলাহা ইল্লাল্লাহু ওয়াহদাহু লাশ্বাৰিকালাহু ওয়া আশ্বহাদু আন্না মুহাম্মাদান আবদুহু ওয়া ৰাছুলুহু - আম্মা বাদু ফাউজুবিল্লাহ হিমিনা শ্বায়তানিৰ ৰাজিম - বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম - আলহামদু লিল্লাহি ৰাববিল আলামিন-আৰ ৰাহমানিৰ ৰাহিম- মালিকি ইয়াও মিদ্দিন - ইয়াকানা বুদু ওয়া ইয়া কানাছ তাঈন- ইহদিনা ছিৰাতাল্লাজিনা আন-আমতা আলায়হিম গায়ৰিল মাগজুবি আলায়হিম ওয়ালাজ্জালিন।

তাছাহুদ, তাউয ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - আজি ইয়াত বদৰি চাহাবা হজৰত মুৱাজ বিন হাৰিছ (ৰাঃ)ৰ বিষয়ে বৰ্ণনা কৰিম। এখেত (ৰাঃ)ৰ পিতৃৰ নাম হাৰিছ বিন ৰিফাআ আৰু মাকৰ নাম আফৰা বিনতে উবাইদ আছিল। হজৰত মুৱাজ আৰু তেখেতৰ দুজন ভায়েক হজৰত অউফ আৰু হজৰত মাওৱেজ এই তিনিজনে বদৰৰ যুদ্ধত অংশগ্ৰহন কৰিছিল। হজৰত অউফ আৰু হজৰত মাওৱেজ (ৰাঃ) দুয়ো বদৰৰ যুদ্ধত শ্বাহাদত বৰণ কৰিছিল। কিন্তু হজৰত মুৱাজ (ৰাঃ)য়ে পিছলৈ সংগঠিত হোৱা সকলো যুদ্ধত ৰছুলুল্লাহ (ছাঃ)ৰ লগত যোগ দিছিল। হজৰত মুৱাজ (ৰাঃ)য়ে সেই আঠজন আনছাৰ ছাহাবাৰ এজন, যি সকলে বয়াতে উকবা প্ৰথমৰ সময়ত মক্কাত আঁহজৰত (ছাঃ)ৰ ওপৰত ঈমান স্থাপন কৰিছিল। বয়াতে উকবা দ্বিতীয়তেও হজৰত মুৱাজ (ৰাঃ) উপস্থিত আছিল।

হুজুৰ আনোৱাৰ আইঃয়ে কয় যে - ছালেহ বিন ইব্ৰাহিম নিজৰ ককা দেউতা হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ)ৰ পৰা ৰোৱায়েত কৰিছে যে - তেখেত (ৰাঃ)য়ে কৈছে যে - মই বদৰৰ যুদ্ধত ময়দানত শাৰীত থিয় হৈ থাকোতে মোৰ সোঁৱে-বাওঁৱে লক্ষ্য কৰি দেখিছিলো যে মোৰ দুয়োফালে দুজন আনছাৰী লৰা থিয় হৈ আছে। সিহঁত দুজনৰ বয়স (যুদ্ধ উপযুক্ত নাছিল) কম আছিল। মই আশা কৰিছিলো যে - যদি মই এনেকুৱা লোকৰ মাজত থাকিলোহেতেঁন, যিয়ে এওঁলোক দুজনতকৈ ডেকা আৰু সুস্থ সবল হলহেতেন। এনেতে সিহঁতৰ মাজত এজন লোকে মোক গোজা মাৰি সুধিছিল যে - খুৰাদেউ ! আপুনি আবু জাহিলক চিনি পায়নে ? মই কৈছিলো, তাৰ লগত তোমালোকৰ কি কাম আছে ? সি কৈছিল মই শুনিছো যে তেওঁ বোলে ৰছুলুল্লাহ (ছাঃ)ক গালি দিয়ে।যদি মই তাক দেখা পাওঁ তেন্তে মোৰ চকু তাৰ চকুৰ পৰা আতঁৰ নহয়, যেতিয়ালৈকে আমি দুয়োৰে এজন মৰি নায়াওঁ যাৰ সময় আগতে নিৰ্ধাৰণ কৰা হয়। মই এয়া শুনি আচৰিত হৈছিলো। ইয়াৰ পিছত আন এজনে মোক গোজা মাৰি এনেদৰেই আবু জাহিলৰ বিষয়ে সুধিছিল। ইয়াৰে অলপ সময় পিছতেই মই আবু জাহিলক সৈন্য দলৰ মাজত ঘুৰি-ফুৰি থকা দেখিবলৈ পাইছিলো। তেতিয়াই মই এওঁলোক দুজনক কৈছিলো - সৌ ব্যাক্তিজন ! যাৰ বিষয়ে তোমালোকে মোক সুধিছিলা। কথাখিনি শুনাৰ লগে লগে এওঁলোক দুয়োজন তৎক্ষণাত নিজৰ নিজৰ তৰোৱাল সাজু কৰি লৈ আবু জাহিলৰ ফালে চোঁচা লৈছিল আৰু তাক ইমান মাৰিছিল যে প্ৰাণবায়ু উলিয়াই দিছিল। ইয়াৰ পিছত ওভতি ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত আহিছিল আৰু তেখেত (ছাঃ)ক আবু জাহিলৰ মৃত্যুৰ খবৰ দিছিল। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে সুধিছিল তোমালোকৰ মাজত কোনে তাক হত্যা কৰিছা ? দুয়োজনেই কৈছিল - মই তাক হত্যা কৰিছো। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে সুধিছিল যে - তোমালোক দুজনে নিজৰ নিজৰ তৰোৱাল মচি চাফ কৰিছানে ? এওঁলোকে কৈছিল নহয় ! তেতিয়া তেখেত (ছাঃ)য়ে সেই দুয়োজনেৰে তৰোৱাল দেখিছিল আৰু কৈছলি যে তোমালোক দুয়োজনহে তাক হত্যা কৰিছা।

হজৰত খলিফাতুল ছানি (ৰাঃ) য়ে এই ঘটনা সম্পৰ্কে কৈছে যে - আবু জাহিল, যাৰ জন্ম হোৱাত সপ্তাহ জুৰি উট জবাই কৰি মানুহক মাংস বিলোৱা হৈছিল, যাৰ জন্মত দাফৰ (ঢোল সদৃশ বাদ্য) শব্দই মক্কাৰ আকাশ বতাহ ৰজন জনাই গৈছিল, বদৰৰ ৰণ ভুমিত কিন্তু এই লোকজন মৃত্যুৰ কোলাত ঢলি পৰিছিল, কাৰণ মাত্ৰ পোন্ধৰ বছৰীয়া দুজন আনছাৰী বালকে তাক ঘাইল কৰিছিল। হজৰত আব্দুল্লাহ বিন মাছুদ কৈছে যে - যুদ্ধৰ পিছত যেতিয়া মানুহে ওভতি যাবলৈ লৈছিল তেতিয়া মই ময়দানত পৰি থকা আহত সকলক দেখিবলৈ গৈছিলো। মই ময়দানত ঘুৰি পকি চাইছিলো, এনেতে দেখিছিলো যে আবু জাহিল ঘাইল অৱস্থাত পৰি কেকাঁই আছে। মই যেতিয়া তেওঁৰ ওচৰত উপস্থিত হৈছিলো, তেতিয়া তেওঁ মোক কেকাঁই কেকাঁই কৈছিল যে মই আৰু জীয়াই থকাৰ সম্ভাৱনা নাই, তুমিও মক্কাৰ লোক, মোৰ এয়া ইচ্ছা যে তুমি মোক মাৰি পেলোৱা, যাতে মোৰ এই যন্ত্ৰণা (কষ্ট) দূৰ হৈ যায়। কিন্তু তুমি জানা যে মই আৰবৰ এজন চৰদাৰ আৰু আৰবৰ এয়া পৰম্পৰা হল যে চৰদাৰৰ ডিঙি দীঘলকৈ কটা হয় আৰু এয়া হল মৃতকৰ চৰদাৰি পদৱীৰ চিহ্ন। মোৰ এয়া কামনা যে তুমি যেন মোৰ ডিঙি দীঘলকৈ কাটি পেলোৱা। হজৰত আব্দুল্লাহ বিন মাছুদ (ৰাঃ)য়ে কৈছে যে - মই তাৰ ডিঙি সামান্য পৰিমাণে কাটিছিলো আৰু কৈছিলো তোৰ এই অন্তিম আশাও পুৰ্ণ কৰা নহয়। এতিয়া বিচাৰ্য্য পৰিণতি দেখা যায় যে আবু জাহিলৰ মৃত্যু কিমানেই যে অপমান জনক মৃত্যু আছিল। জীৱণকালত যাৰ ডিঙি সদায় উচ্চ মৰ্যাদা সম্পন্ন আছিল, মৃত্যুৰ সময়ত তাৰ ডিঙি সামান্য পৰিমানেহে কটা হৈছিল আৰু তাৰ অন্তিম ইচ্ছাও পুৰ্ণ হোৱা নাছিল।

এটা ৰোৱায়েত অনুসৰি হজৰত মুৱাজ (ৰাঃ)য়ে বদৰৰ যুদ্ধত ঘাইল হৈছিল আৰু মদিনালৈ ওভতি আহি সেই আঘাতৰ কাৰণে মৃত্যু বৰণ কৰিছিল। আন এটা ৰোৱায়েত অনুযায়ী হজৰত মুৱাজ (ৰাঃ) হজৰত উচমান (ৰাঃ)ৰ খিলাফত কাললৈকে জীয়াই আছিল। আন এটা ৰোৱায়েত অনুসৰি এখেত (ৰাঃ) হজৰত আলি (ৰাঃ)ৰ খিলাফত কাললৈ জীয়াই

আৰু চফিনৰ যুদ্ধৰ সময়ত এখেতৰ মৃত্যু হৈছিল। চফিনৰ যুদ্ধ ৩৬ আৰু ৩৭ হিজৰিত সংগঠিত হৈছিল আৰু হজৰত মুৱাজ (ৰাঃ)য়ে হজৰত আলি (ৰাঃ)ৰ ফলিয়াহে যুদ্ধত অংশগ্ৰহন কৰিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - এতিয়া মই মকৰম ৰাণা নঈম উদ্দিন চাহাব ইবনে মকৰম ফিৰোজ উদ্দিন মুন্সি চাহাবৰ বিষয়ে উল্লেখ কৰিম। ২০২০ চনৰ এপ্ৰিল মাহত এখেতৰ মৃত্যু হৈছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। ১৯৩৪ চনত ৰাণা চাহাবৰ জন্ম হৈছিল। এখেতৰ পিতৃ মহতৰম ফিৰোজ উদ্দিন চাহাবে ১৯০৬ চিঠিৰ মাধ্যমত হজৰত মছিহ মাওউদ (আইঃ)ৰ বয়াত কৰিছিল। এখেতৰ পত্নীৰ নাম আছিল ছাৰাহ পাৰবিন। তাই হজৰত মছিহ মাওউদ (আঃ)ৰ চাহাবী দৌলত খান চাহাবৰ নাতিনী আছিল। ১৯৫৫ চনৰ নৱেম্বৰ মাহৰ পৰা ১১ মে ১৯৫৯ চনলৈকে এখেতে বিশেষ নিৰাপত্তা বিভাগত গাৰ্ড হিচাপে কাম কৰিছিল। যেতিয়া হজৰত খিফাতুল মছিহ ছানি (ৰাঃ) তফছিৰৰ কামৰ নিমিত্তে নখলা জাবা অহা যোৱা কৰিছিল, তাত নিৰাপত্তা আৰু জেনেৰেটৰ পৰিচালনাৰ কাম এখেতৰ দায়িত্বত আছিল।

১৯৭৮ এখেতে নিৰাপত্তা ৰক্ষীৰ কামৰ পৰা অৱসৰ লৈ হুটৰপা, জিলাৰ ছাহিয়াললৈ গুচি গৈছিল। তাত এখেতে ছাহিয়াল মছজিদৰ খাদিম হিচাপে কাম কৰিবলৈ লৈছিল। ১৯৮৪ চনত অক্টোবৰ মাহত বিৰুদ্ধবাদী সকলে ছাহিয়ালৰ আহমদীয়া বায়তুজ্জিকৰ আক্ৰমণ কৰিছিল। নিৰাপত্তা ৰক্ষীৰ কামত নিযুক্তি থকা কাৰণে এখেত বিৰুধী সকলক প্ৰতিৰোধ কৰিছিল। যাৰ ফলত ৰাণা নঈম উদ্দিনৰ লগত আৰু দহজন লোকৰ বিৰুদ্ধে আদালতত গোচৰ ৰুজু কৰা হৈছিল। এনেদৰে ৰাণা চাহাব ২৬ অক্টোবৰ ১৯৮৪ চনৰ পৰা মাৰ্চ ১৯৯৪ চনলৈ (আল্লাহৰ বাটত) কাৰাগাৰত থকাৰ সৌভাগ্য লাভ কৰিছিল। মিলিটাৰী কোৰ্টত ইলিয়াচ মনিৰ চাহাব (মুৰব্বী ছিলছিলা) আৰু ৰাণা নঈম উদ্দিন চাহাবক মৃত্যুদণ্ড বিহিছিল। কিন্তু এই ৰায়ৰ বিৰুদ্ধে আপীল কৰাত লাহোৰ হাইকোৰ্টত ১৯৯৪ চনৰ মাৰ্চ মাহত এওঁলোকক ৰেহাই দিয়াৰ নিৰ্দেশ দিছিল। কাৰাগাৰত থকা অৱস্থাত পুলিচে এওঁলোকক অত্যাচাৰ কৰিছিল আৰু এওঁলোকৰ পৰা বয়ান লোৱাৰ চেষ্টা কৰিছিল যে যিহেতু নঈম উদ্দিন চাহাব খলিফাৰ দেহৰক্ষী আছিল সেয়ে তেওঁ কব লাগে যে - খলিফায় তেওক এনে কবলৈ পঠাইছে যে এনেদৰে মুছলমান সকলক মাৰিবা। ৰাণা নঈম উদ্দিন চাহাবে এই গোচৰৰ পৰা ৰেহাই পাই ১৯৯৪ চনতেই লণ্ডনলৈ গুচি আহিছিল আৰু ইয়াতেও নিজৰ বয়স অনুযায়ী নিৰাপত্তা বিভাগতেই নিজৰ কৰ্তব্য পালন কৰি আছিল।

মৰহুমে এজন পুতেক আৰু চাৰিজনী জীয়েকক ইহ-সংসাৰত এৰি থৈ গৈছে। মৰহুমৰ পুত্ৰ ৰাণা ওৱাছিম আহমদ আৰু জীয়েক চাৰিজনীয়েও লণ্ডনৰ স্থায়ী বাসিন্দা হৈ গৈছে। ৰাণা ওৱাছিম আহমদ চাহাবে লিখিছে যে - যেতিয়া মোৰ ওয়াকফেৰ মজুৰি আহিছিল, তেতিয়া এদিন মোক দেউতাই কৈছিল যে এয়া বৰ ডাঙৰ দায়িত্ব, সদায় তওবা, ইস্তেগফাৰৰ মাজেৰে নিজৰ ওয়াকফেৰ দায়িত্ব পালন কৰিবা। কৰ্তব্য পালনত কোনোবায় দুখ দিলেও মনে মনে থাকিবা কেতিয়াও বিতৰ্কত লিপ্ত নহবা, সকলো বিষয়খিনি আল্লাহ তায়ালাৰ ওচৰত এৰি দিবা আৰু ধৈৰ্য ধাৰণ কৰিবা আৰু ধৈৰ্য্যৰ আঁচল কেতিয়াও কোচাই নলবা। আল্লাহ তায়ালা ধৈৰ্য্য ধাৰণ কাৰীৰ লগতহে থাকে। আৰু কয় যে মোৰ দেউতাকে ৰাৱোয়াত হজৰত আম্মাজানৰ চৌকীদাৰী কৰাৰও সুয়োগ পাইছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - এখন পত্ৰত হজৰত খলিফাতুল মছিহ ৰাৱে (ৰহঃ)য় ৰাণা নঈম আহমদ চাহাবলৈ লিখিছিল যে আপুনি উচ্চ পৰ্যায়ৰ ঈমানৰ টিলাত যিদৰে দৃঢ়ভাৱে থিয় হৈছে সেয়া অতি গৌৰৱৰ বিষয়। আল্লাহ তায়ালাৰ ওচৰত এনেকুৱা উচ্চস্থান পোৱাৰ আগতে এনেকুৱা ধৰণৰ দুখজনক পৰিস্থিতিৰ মাজেৰে পাৰ হব লগা হয়। আপোনালোকৰ এনেকুৱা সৌভাগ্য দেখি মোৰ ঈৰ্ষা উপজে। গছ নিজৰ ফলেৰে পৰিচিত হয়। আপোনালোকেও হজৰত মছিহ মাওউদ (আঃ)ৰ গছৰ সেউজ সবল ডাল আৰু মিঠা ফল, আল্লাহ তায়ালা কেতিয়াও বিনষ্ট হব নিদিয়ে। আল্লাহ তায়ালা নিজৰ ফিৰিস্তাৰ জৰিয়তে আপোনালোকক সহায় কৰক আৰু শত্ৰু সকলৰ হাতুৰাৰ পৰা মুক্তি দান কৰক। আল্লা তায়ালা আপোনালোকক সহায় থাকে যেন।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আল্লাহ তায়ালা পৰলোকও এখেতৰ সৈতে মৰম-স্নেহৰ আচৰণ প্ৰদৰ্শন কৰক আৰু নিজৰ চেনেহী কোলাত স্থান দিয়ক। মই এখেতক সৰুৰে পৰাই চিনি পাওঁ। সেই সময়ৰ পৰাই মৌলৈ তেখেতৰ বৰ ভালপোৱা আছিল আৰু খিলাফতৰ পিছত মোৰ সৈতে তেখেতৰ সম্পৰ্কৰ ৰং আৰু অনন্য হৈ পৰিছিল। আল্লাহ তেখেতৰ লৰা-ছোৱালীক সদায় আনুগত্যৰ সৈতে নিজৰ দেউতাকৰ পদাংক অনুসৰণৰ তৌফিক দান কৰক। পিছত কেতিয়াবা এখেত মৰহুমৰ জানাজা গায়েব পঢ়া হব।

অৱশেষত মই আকৌ বৰ্তমানৰ সংক্ৰামিত বেমাৰ সম্পৰ্কে কব বিচাৰো যে - আমাৰ কিছুমান আহমদী বেমাৰী আছে, তেওঁলোকৰ বাবে দোৱা কৰিব যাতে আল্লাহ তায়ালা সকলোকে পুৰ্ণ আৰোগ্য দান কৰে আৰু আমাক যেন পুৰ্ণ সন্তুষ্টিৰ বাটত চলাৰ তৌফিক দান কৰে। শুদ্ধভাৱে আমাক যেন ইবাদত আৰু মানৱ অধিকাৰ বজায় ৰখাৰ তৌফিক দান কৰে। অতি সোনকালে এই দুৰ্যোগৰ পৰা আমাক ৰক্ষা কৰক। জগতবাসীক সম্যক বোধশক্তি আৰু প্ৰজ্ঞা দান কৰক। যাতে তেওঁলোকেওঁ যেন খোদা তায়ালাক চিনি পায় খোদা তায়ালাৰ উপসনা কৰোঁতা হয় আৰু তৌহিদ বুজি পায়। আল্লাহ তায়ালা সকলোৰে ওপৰত দয়া প্ৰৱণ হওঁক। (আমিন)

"আলহামদু লিল্লাহি নাহমাদুহু ওয়া নাছতাঈনুহু ওযা নাছতাগফিৰুহু ওয়ানু মিনু বিহি ওয়া নাতাওয়াক্কালু আলায়হি ওয়া নাউজুবিল্লাহি মিন শুৰুৰি আনফুছিনা ওয়া মিন ছাইয়ে আতি আমালিনা মাই ইয়াহ দিহিল্লাহু ফালা মুজিল্লাল্লাহু ওয়া মাই-ইউজ লিলহু ফালা হাদিয়ালাহু ওয়া নাশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু ওয়া নাশ্বহাদু আন্না মুহাম্মাদান আবদহু ওয়া ৰাছুলুহু,

ইবাদাল্লাহি ৰাহিমুকুমুল্লাহি ইন্নাল্লাহা ইয়ামুৰুবিল আদলি ওয়াল ইহছানি ওয়া ইতাইজিল কুৰবা ওয়া ইয়ানহা আনিল ফাহশায়ি ওয়াল মুনকাৰি ওয়াল বাগি ইয়াইজুকুম লা-আল্লাকুম তাজাক্কাৰুনা উজকুৰুল্লাহ ইয়াজ কৰুকুম ওয়াদ উহু ইয়াছ তাজিবলাকুম ওয়ালা জিকৰুল্লাহি আকবাৰ"।

**Assamese Khulasa Khutba Jumma Huzoor Anwar 17 April . 2020**

**(BOOK POST PARINTED MATTER)**

**To**

-----------------------------------------------------------------------

-----------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**